**প্ৰাধীকৰণ ঃ**

১৯৫৫ চনৰ অত্যাৱশ্যকীয় সামগ্ৰী আইন সুলভ মূল্যৰ দোকানলৈ সামগ্ৰী বিতৰণ কৰাৰ বাবে লাইচেঞ্চ প্ৰদান কৰা।

**অভিযোগ ব্যৱস্থা ঃ**

- এই আইনৰ অধীনত প্ৰত্যেক ৰাজ্য চৰকাৰে অভিযোগ দাখিলৰ বাবে ব্যৱস্থা কৰিছো ইয়াৰ বাবে কল চেণ্টাৰ, হেল্প লাইন আদি স্থাপন কৰা হৈছে। নোডেল বিষয়া নিযুক্তি দিয়া হৈছে।
- খাদ্য সামগ্ৰী বিতৰণৰ ক্ষেত্ৰত ভুক্তভোগী সকলে যাতে সোনকালে তথা সক্ৰিয়ভাবে কৰিব পাৰে সেই উদ্দেশ্যে এই আইনৰ অধীনত জিলা পৰ্য্যায়ত এই আইনৰ অধীনত জিলা পৰ্য্যায়ত অভিযোগ কক্ষ আৰু জিলা অভিযোগ বিষয়া নিয়োগ কৰা হৈছে।
- যিকোনো অভিযোগকাৰীয়ে জিলা/ৰাজ্য খাদ্য আয়োগৰ ওচৰত আবেদন কৰাৰো ব্যৱস্থা আছে।

**ৰাজ্য খাদ্য আয়োগৰ বিচাৰ সম্বন্ধীয় শক্তি ঃ**

- ১৯০৮ চনৰ চিভিল প্ৰক্ৰিয়া সংহিতাৰ অধীনত বিচাৰ প্ৰক্ৰিয়াত লাভ কৰা সকলো শক্তি ৰাজ্য খাদ্য আয়োগতো লাভ কৰা হয়। এইবোৰ তলত দিয়া ধৰণৰ ঃ
- যিকোনো ব্যক্তিক মাতি অনা, হাজিৰ কৰোৱা আৰু শপত লৈ তেওঁৰ বিষয়টোৰ বিচাৰ আৰম্ভ কৰা।
- বিচাৰ সম্বন্ধিত দস্তাবেজ দাখিল কৰা।
- শপত পত্ৰ অনুসৰি সাক্ষী গ্ৰহণ কৰা।
- কোনো ন্যায়ালয় অথবা কাৰ্য্যালয়ৰ বিষয়ৰ সম্পৰ্কত যিকোনো লোক অভিলেখৰ প্ৰতিলিপি বিচৰা।
- সাক্ষী বা দস্তাবেজ পৰীক্ষা কৰাৰ বাবে কমিচন গঠন কৰা।
- প্ৰতিখন ৰাজ্য চৰকাৰৰ দ্বাৰা আইনৰ অন্তৰ্গত কাৰ্য্য উন্নয়ন আৰু ইয়াৰ মূল্যায়ন কৰাৰ বাবে ৰাজ্য খাদ্য আয়োগ গঠন কৰা হৈছে।

**শাস্তি ঃ**

এই আইনৰ অধীনত যদি কোনো কৰ্মকৰ্তা বা জিলা অভিযোগ সমাধান কৰ্মকৰ্ত্তাই জ্ঞাতসাৰে অৱহেলা কৰাৰ দোষী সাব্যস্ত হয় তেওঁক পাঁচ হাজাৰ টকালৈ জৰিমনা বিহা হ'ব। অৱশ্যে এই দোষত দোষী ব্যক্তিক নিজৰ দোষ খণ্ডন কৰাৰ বাবে পূৰ্ণ সুযোগ দিয়া হ'ব।


সাক্ষৰ ভাৰত

**ৰাষ্ট্ৰীয় সাক্ষৰতা অভিযান প্ৰাধিকৰণ**

স্কুল শিক্ষা আৰু সাক্ষৰতা বিভাগ, মানৱ সংশোধন বিকাশ মন্ত্ৰালয়

ভাৰত চৰকাৰ, নতুন দিল্লী-১১০ ০০১

**ৱেবসাইট ঃ** www.mhrd.gov.in, www.Mygov.in


সাক্ষৰ ভাৰত

**আইনী সাক্ষৰতা শৃংখলা-১**

# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩



# ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩

সৰ্বসাধাৰণ লোক, দুখীয়া তথা গৰ্ভৱতী মহিলাসকলে যাতে গুণগত খাদ্যপ্ৰাণ লাভ কৰিব পাৰে তাৰ উদ্দেশ্যৰে চৰকাৰে "ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩" প্ৰস্তুত কৰিছে। এই আইনৰ মূল লক্ষ্য হ'ল নিয়মিত জীৱন-যাপন কৰিবলৈ প্ৰয়োজনীয়, পৰ্য্যাপ্ত মাত্ৰাত তথা সুষম আহাৰ যাতে সৰ্বসাধাৰণ লোকে কম দামত লাভ কৰিব পাৰে।

এই আইনৰ অধীনত সৰ্বসাধাৰণ লোকে খাদ্য সামগ্ৰী সম্বন্ধত কেনেদৰে সুৰক্ষা লাভ কৰিব তাক তলত উল্লেখ কৰা হ'ল—

- **সুলভ মূল্যৰ দোকান ঃ** অত্যাৱশ্যকীয় সামগ্ৰী আইন ১৯৫৫ ৰ ৩ নং ধাৰা অনুসৰি ৰেচন কাৰ্ড লাভ কৰা ব্যক্তি সকলে এই সুলভ মূল্যৰ দোকানৰ পৰা বস্তু ক্ৰয় কৰিব পাৰিব।
- **খাদ্যসামগ্ৰী ঃ** কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সময়ে সময়ে দিয়া আদেশৰ অধীনত প্ৰদান কৰা চাউল, ঘেহু বা আটা বা ইয়াৰ দৰে গুণ থকা সামগ্ৰীসমূহ।
- **খাদ্য সুৰক্ষা ঃ** খাদ্য সুৰক্ষা আইনৰ দ্বাৰা প্ৰস্তুত কৰা নিয়ম/উপ নিয়ম অনুসৰি খাদ্য-সামগ্ৰী আৰু ভোজন উচিত জোখত দিয়াৰ ব্যৱস্থা কৰা হৈছে।
- **খাদ্য সুৰক্ষা ভাত্তা ঃ** খাদ্য সুৰক্ষা ভাত্তা তাৎপৰ্য্য ধাৰা ৪ ৰ অন্তৰ্গত প্ৰস্তুত কৰা নিয়ম অনুসৰি হিতাধিকাৰীক নিৰ্দিষ্ট পৰিমাণৰ টকা প্ৰদান কৰিব লাগে।
- **গ্ৰাম ক্ষেত্ৰ ঃ** গ্ৰাম্য ক্ষেত্ৰ আইন অনুসৰি স্থাপিত বা গঠিত কোনো নগৰ নিকায় অথবা চাউনী বোৰ্ডৰ অন্তৰ্গত গাঁওৰ উপৰিও যিকোনো ৰাজ্যৰ যিকোনো ঠাই ইয়াৰ অন্তৰ্ভূক্ত হ'ব।
- **লক্ষ্যস্থিত সাৰ্বজনিক বিতৰণ প্ৰণালী ঃ** সুলভ মূল্যৰ দোকানৰ পৰা ৰেচন কাৰ্ড থকা ব্যক্তিসকলে প্ৰয়োজনীয় বস্তুবোৰ লাভ কৰিব।

**ধাৰাযনিয়মসমূহ ঃ**

- **ধাৰা ঃ** ৩ অনুসৰি হিতাধিকাৰীয়ে প্ৰতি মাহত ৫ কিল'গ্ৰাম খাদ্য আৰু বিত্তীয় সাহৰ্য্য লাভ কৰাৰ অধিকাৰ আছে।
- **ধাৰা ঃ** ৪, ৫ আৰু ৬ অনুসৰি গৰ্ভৱতী মহিলা আৰু দুগ্ধদাত্ৰী মাতৃৰ বাবে সুষম আহাৰ আৰু শিশুৰ বাবে প্ৰয়োজনীয় খাদ্য লাভ কৰাৰ অধিকাৰ আছে।
- **ধাৰা ঃ** ১২ অনুসৰি নিৰ্দিষ্ট সাৰ্বজনিক বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰত সংশোধন।
- **ধাৰা ঃ** ১৩ অনুসৰি ১৮ বছৰ বা তাৰ উৰ্দ্ধৰ মহিলাক পৰিয়ালৰ মূখ্য ব্যক্তি হিচাপে নিৰূপণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

**আইনী ব্যৱস্থা ঃ**

- গৰ্ভৱতী মহিলা আৰু স্তনপান কৰা মহিলাৰ বাবে সুষম আহাৰৰ ব্যৱস্থা।
- আইনৰ অধীনত হিতাধিকাৰী ব্যক্তিয়ে যদি প্ৰাপ্য খাদ্য লাভ নকৰে তেন্তে খাদ্য সুৰক্ষা ভাত্তা লাভ কৰাৰ অধিকাৰ।

**অধিকাৰ ঃ**

- হিতাধিকাৰীক প্ৰতি পৰিয়ালত "অন্তোদয় অন্য যোজনা'ৰ অধীনত প্ৰতি মাহ ৩৫ কিঃ গ্ৰাঃ খাদ্য লাভ কৰাৰ অধিকাৰ।
- প্ৰতিগৰাকী গৰ্ভৱতী মহিলা আৰু দুগ্ধদাত্ৰী মাতৃয়ে তলত দিয়া সুবিধাবোৰ লাভ কৰাৰ অধিকাৰ আছে—

  গৰ্ভাৱস্থা আৰু শিশু জন্মৰ ৬ মাহলৈ অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে বিনামূলীয়া খাদ্য যোগান ধৰা। ইয়াত সুষম আহাৰ যোগান ধৰা হয়। অৱশ্যে ৬ মাহলৈ শিশুক কেবল স্তনপান কৰা উচিত।

  গৰ্ভৱতী মহিলাক প্ৰসূতি লাভৰ ৰূপত কমেও ৬ হাজাৰ টকা কিস্তি হিচাবত কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰাৰ অধিকাৰ।
- অষ্টম শ্ৰেণীলৈ বা ছয় বছৰৰ ছৈধ্য বছৰ শিশুই তেওঁলোকৰ প্ৰয়োজনত তলত দিয়া অধিকাৰবোৰ লাভ কৰিব—

  ৬ মাহৰ পৰা ৬ বছৰ বয়সৰ সকলো শিশু পুষ্টিৰ বাবে বিনামূলীয়া খাদ্য লাভ কৰাৰ অধিকাৰ।

  ৬ মাহৰ কম বয়সৰ শিশুয়ে কেবল মাতৃ দুগ্ধ পান কৰিব।

  ৰাজ্য চৰকাৰ আৰু স্থানীয় অংগনবাড়ী কেন্দ্ৰৰ সহযোগত অপুষ্টিহীনতাত ভূগি থকা শিশুসকলক চিনাক্ত কৰি বিনামূলীয়া খাদ্যৰ যোগান ধৰা।